জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

প্ৰেছ বাৰ্তা নং ঃ ৭৭/২০২৩

# শ্ৰীশ্ৰী বটদ্ৰৱা থান আৰু বটদ্ৰৱা প্ৰকল্প নিৰ্মাণস্থলী পৰিদৰ্শন কৰি কাম-কাজৰ অগ্ৰগতিৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৯ মে'** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও জিলাৰ বৰদোৱাস্থিত শ্ৰীশ্ৰী বটদ্ৰৱা থানক অসমৰ আধ্যত্মিক আৰু সাংস্কৃতিক পৰ্যটনৰ এক অন্যতম কেন্দ্ৰৰূপে গঢ়ি তোলাৰ উদ্দেশ্যে শ্ৰীশ্ৰী বটদ্ৰৱা থানৰ আন্তঃগাঁথনি উন্নয়ন কাৰ্যৰ লগতে ৰাজ্য চৰকাৰে প্ৰায় ২০০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰি থকা বটদ্ৰৱা প্ৰকল্পটি পৰিদৰ্শন কৰে।

মুখ্যমন্ত্ৰীয়ে প্ৰকল্পটিৰ কাম-কাজ পৰ্যালোচনা কৰাৰ উদ্দেশ্যেৰে এক বৈঠকত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট বিভাগ আৰু নিৰ্মাণকাৰী প্ৰতিষ্ঠানক নিৰ্ধাৰিত সময়ত যাতে প্ৰকল্পটোৰ কাম সম্পূৰ্ণ হয় সেয়া সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে।

আজিৰ এই পৰিদৰ্শন কালত বিধায়ক জিতু গোস্বামী, শশীকান্ত দাস, উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহ প্ৰমুখ্যে শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে শ্ৰীশ্ৰী বটদ্ৰৱা থানত উপস্থিত হৈ ভক্তি অৰ্ঘ্য নিবেদন কৰাৰ লগতে ৰাজ্যবাসীৰ কুশল-মঙ্গল কামনা কৰি সেৱা যাছে। আজিৰ এই থান দৰ্শন কালত শ্ৰীশ্ৰী বটদ্ৰৱা থানৰ সভাগৃহ, সত্ৰীয়াচৰা, কাৰ্যলয় গৃহ আৰু দামোদৰ আতা যাত্ৰীনিবাস গৃহৰ পুনৰ নিৰ্মাণ কাৰ্যৰ বুজ লয় মুখ্যমন্ত্ৰীয়ে। থানখনত পৰ্যটনৰ বিকাশ আৰু যাত্ৰীসকলৰ সুবিধাৰ্থে আকাশীগংগা আৰু টেম্বুৰতী জানৰ সৌন্দৰ্যবৰ্দ্ধন, ভৰাঁলঘৰ, চাৰিসীমাৰ নান্দনিক বেৰ, আকাশীগংগা ভক্তি সৰোবৰৰ তীৰত এটি সুন্দৰ ৰান্ধনীশাল নিৰ্মাণ আদি বিভিন্ন প্ৰকল্পৰ পৰিকল্পনা গ্ৰহণ কৰাৰ লগতে নিৰ্ধাৰিত সময়ৰ ভিতৰত কামসমূহ সম্পূৰ্ণ কৰাৰ বাবে সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে মুখ্যমন্ত্ৰীয়ে।

এই দৰ্শন কালত সত্ৰাধিকাৰদ্বয় শ্ৰীশ্ৰী দেবানন্দ দেবগোস্বামী, শ্ৰীশ্ৰী যোগেন্দ্ৰনাৰায়ণ দেবমহন্ত, বিধায়কদ্বয় জিতু গোস্বামী, শশীকান্ত দাস, নগাঁও জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষক আৰু ভক্তবৃন্দ উপস্থিত থাকে।

আনহাতে মুখ্যমন্ত্ৰীয়ে আজি ভাৰতীয় ষ্টেট বেংকৰ বটদ্ৰৱা শাখৰ শুভ উদ্বোধন কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে শ্ৰীশ্ৰী বটদ্ৰৱা থানক কেন্দ্ৰ কৰি উন্নয়নমূলক কাম-কাজ আৰু পৰ্যটনৰ বিকাশৰ লগতে অঞ্চলবাসী তথা যুৱক-যুৱতীসকলৰ বাবে স্ব-নিয়োজনকে ধৰি অৰ্থনৈতিক, শিক্ষা, বাণিজ্যৰ বিকাশ, বিভিন্ন ধৰণৰ চৰকাৰী আঁচনিৰ তৰান্বিত লাভালাভ গ্ৰহণৰ দিশত সহায়ক হৈ উঠিব।

অনুষ্ঠানত ভাৰতীয় ষ্টেট বেংকৰ উত্তৰ পূব মণ্ডলৰ মুখ্য মহাপ্ৰবন্ধক ভিনচেণ্ট এম ডি, মহাপ্ৰবন্ধক সুৰঞ্জনা দত্ত প্ৰমুখ্যে বহু গণ্য-মান্য লোক উপস্থিত থাকে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

আনহাতে মুখ্যমন্ত্ৰীৰ উপস্থিতিত ভাৰতীয় ষ্টেট বেংকৰ বটদ্ৰৱা শাখাই শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিক থানখনৰ পানী যোগান আঁচনিৰ উন্নয়নৰ বাবে আজি ২৪ লাখ ২৪ হাজাৰ টকাৰ এখন চেক প্ৰদান কৰে।

আজিৰ এই পৰিদৰ্শনৰ সময়ত গোপাল দেবকাকতি নামৰ শিল্পী এগৰাকীয়ে তেওঁৰ অসুবিধাৰ সম্পৰ্কত অৱগত কৰাৰ লগে লগে আৰ্থিক সাহায্য হিচাপে মুখ্যমন্ত্ৰীয়ে তৎকালীনভাৱে তেখেতক ২৫ হাজাৰ টকাৰ এখন চেক আগবঢ়ায়।

**হেঃশঃ**
**০৯/৫/২০২৩**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in